**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-06-2025 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। ৰাজ্যত অহা ১০ অক্টোবৰৰ ভিতৰত পুনৰ ৪০ হাজাৰ যুৱক-যুৱতীৰ নিযুক্তি সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

২। শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰৰ ১৪৭ নম্বৰ তৈল ক্ষেত্ৰত গেছ নিৰ্গমন ৰোধৰ বাবে গেছৰ চাপ হ্ৰাস কৰি ৰিগটোৰ গেছ অন্য কুপলৈ নিয়াৰ প্ৰচেষ্টা আৰম্ভ।

৩। আফ্ৰিকান ছোৱাইন ফ্লুৰ প্ৰাদুৰ্ভাৱৰ পৰিপ্ৰেক্ষিতত মধ্য অসমৰ কেইবাখনো জিলাত গাহৰি নিধনৰ লগতে গাহৰি সৰবৰাহ নিষিদ্ধ।

৪। কালাইন-শিলচৰ পথৰ ভাংগাৰপাৰৰ হাৰং নদীৰ দলং ভঙা গোচৰ সন্দৰ্ভত পাঁচজন লোকক গ্ৰেপ্তাৰ।

**আৰু**

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ পাঁচখনীয়া ক্ৰিকেট টেষ্ট শৃংখলাৰ প্ৰথমখন খেল কাইলৈ হেডিংলীত আৰম্ভ।

০০০০০০০

ৰাজ্যত অহা ১০ অক্টোবৰৰ ভিতৰত পুনৰ ৪০ হাজাৰ যুৱক-যুৱতীক নিযুক্তি প্ৰদান কৰা হ'ব বুলি আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত কেইবাটাও বিভাগত ৪৮১ গৰাকী ব্যক্তিক নিযুক্তি পত্ৰ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে এইদৰে কয়। উল্লেখযোগ্য যে এই অনুষ্ঠানত পশু পালন আৰু পশু চিকিৎসা বিভাগত ৪৪৩ গৰাকী পশু চিকিৎসা ক্ষেত্ৰ সহায়ক, পৰ্যটন বিভাগত ১২ গৰাকী পৰ্যটন উন্নয়ন বিষয়া আৰু শিক্ষা বিভাগত ২৩ গৰাকী জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ প্ৰবক্তা তথা ৩ গৰাকী ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ সহকাৰী সঞ্চালকক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। এই নিযুক্তি স্বচ্ছ, মেধা আৰু যোগ্যতা ভিত্তিত সম্পন্ন হৈছে বুলি তেওঁ ভাষণ প্ৰসঙ্গত কয়। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে কালি পৰ্যন্ত বিভিন্ন বিভাগত এক লাখ ২০ হাজাৰ ৩৫৯ গৰাকী ব্যক্তিক নিযুক্তি পত্ৰ প্ৰদান কৰিছে। ভাষণত ড° শৰ্মাই কুকুৰা পালন খণ্ডৰ ক্ষেত্ৰত হোৱা উত্তৰণৰ কথা উল্লেখ কৰি বাহুবলী কণীৰ উৎপাদনৰ ক্ষেত্ৰত লাভ কৰা সফলতাক বিশেষভাৱে প্ৰশংসা কৰে। ৰাজ্যৰ গাহৰি পালন খণ্ডৰ সম্ভাৱনাসমূহৰ বিষয়ে উল্লেখ কৰি তেওঁ গাহৰি পালকসকলৰ ঐক্যবদ্ধ প্ৰচেষ্টাই এই দিশত ৰাজ্যখনৰ চাহিদা বৃদ্ধিত সহায় কৰিব বুলি আশা প্ৰকাশ কৰে। ৰাজ্যত শ্বেত বিপ্লৱৰ সূচনা কৰি প্ৰতি দিনে ১০ লাখ লিটাৰ গাখীৰ উৎপাদনৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে বুলি তেওঁ ভাষণত কয়।

এই অনুষ্ঠানত পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পাল উপস্থিত থাকে।

০০০০০০

শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰৰ ১৪৭ নম্বৰ তৈল খাদত গেছ নিৰ্গমন ৰোধৰ বাবে গেছৰ চাপ হ্ৰাস কৰি ৰিগটোৰ গেছ অন্য কুপলৈ নিয়াৰ প্ৰচেষ্টা আৰম্ভ হৈছে। উল্লেখযোগ্য যে যোৱা ২২ জুনৰ পৰা ধাৰাবাহিকভাৱে এই অঞ্চলটোত গেছ নিৰ্গমন হৈ আছে। ইয়াৰ মাজতে আজি পুৱা ২০৪ নম্বৰ খাৰুৱা তেল খাদত গেছৰ অত্যধিক চাপৰ বাবে এটা মৃদু বিস্ফোৰণ সংঘটিত হয়। স্থানীয় লোকে এই সন্দৰ্ভত কৰ্তৃপক্ষক খবৰ দিয়াৰ পাছত অ' এন জি চি কৰ্তৃপক্ষই পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। বিধায়ক অখিল গগৈয়ে গেছ নিৰ্গমন ৰোধ কৰিব নোৱাৰাৰ বাবে অ' এন জি চি কৰ্তৃপক্ষক সমালোচনা কৰে। তেওঁ তিনি দিনৰ ভিতৰত বহিঃৰাজ্যৰ পৰা বিশেষজ্ঞ আনি গেছ নিৰ্গমন বন্ধ কৰিবৰ বাবে কৰ্তৃপক্ষক আহ্বান জনায়।

০০০০০০০

ৰাজ্যৰ কেইবাখনো জিলাত গাহৰিৰ দেহত আফ্ৰিকান ছোৱাইন ফিভাৰ ধৰা পৰিছে। দৰং জিলাত শতাধিক গাহৰিৰ দেহত এই সংক্ৰামক ৰোগৰ বীজানু ধৰা পৰাৰ বাবে পশু চিকিৎসা বিভাগে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। আজি মঙলদৈৰ

কবিকাৰা অঞ্চলৰ কেইবাখনো গাহৰি পামত পশু চিকিৎসা বিভাগে অভিযান চলাই এই ৰোগত আক্ৰান্ত কমেও ৬০ টা গাহৰি নিধন কৰে। ইয়াৰ পূৰ্বে জিলাখনৰ কমাৰপাৰাতো ১০৪ টা গাহৰি নিধন কৰা হৈছিল। নিধন কৰা গাহৰিসমূহ পুতি পেলোৱাৰ ব্যৱস্থা কৰা হয়। মঙলদৈ জিলা পশু চিকিৎসালয়ৰ চিকিৎসক ডাঃ অজয় বণিয়াই প্ৰকাশ কৰা মতে আজিও ৰোগৰ সংক্ৰমণৰ সন্দেহত একাংশ পামৰ গাহৰিৰ তেজৰ নমুনা সংগ্ৰহ কৰি পৰীক্ষাগাৰলৈ প্ৰেৰণ কৰা হৈছে। সংক্ৰমণ ধৰা পৰা কমাৰপাৰা আৰু কবিকাৰা অঞ্চলৰ এই ৰোগ সংক্ৰমণৰ মূল কেন্দ্ৰ বুলি চিহ্নিত কৰি ইয়াৰ ১ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত গাহৰিৰ সৰবৰাহ, ক্ৰয়-বিক্ৰী আদি নিষিদ্ধ কৰা হৈছে।

কামৰূপ জিলাৰ বিভিন্ন অঞ্চলত আফ্ৰিকান ছোৱাইন ফ্লুৰ প্ৰাদুৰ্ভাৱ ঘটিছে। হাজো আৰু ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলৰ কেইবাখনো পামত গাহৰিৰ অস্বাভাৱিকভাৱে মৃত্যু হয়। পশুপালন বিভাগে মৃত গাহৰিৰ তেজৰ নমুনা সংগ্ৰহ কৰি পৰীক্ষাগাৰলৈ প্ৰেৰণ কৰিছে। ইয়াৰ পাছতে ৰোগত আক্ৰান্ত গাহৰিসমূহ নিধন কৰা হয়।

০০০০০০০

কাছাৰ জিলাৰ কালাইন-শিলচৰ পথৰ ভাংগাৰপাৰৰ হাৰং নদীৰ ওপৰৰ দলংখন ভাঙি পৰা গোচৰ সন্দৰ্ভত পাঁচজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। ধৃত পাঁচজনৰ ভিতৰত তিনিজন কেন্দ্ৰীয় ৰে-বেইব্ৰিজৰ কৰ্মী আৰু দুজন হাৰিয়ানাৰ ভাৰত ইলেকট্ৰনিক্স ৰে-ব্ৰিজৰ কৰ্মচাৰী। এই ঘটনাৰ সৈতে জড়িত তিনিগৰাকী আৰক্ষীৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মন্ত্ৰী কৌশিক ৰায়ে এই ঘটনা সন্দৰ্ভত উচ্চস্তৰীয় তদন্তৰ নিৰ্দেশ দি বিষয়াসকলক বিস্তাৰিত প্ৰতিবেদন দাখিল কৰিবলৈ কয়। এই সন্দৰ্ভত কাচাৰৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নোমল মাহাট্টাই এইদৰে কয়-

**-বাইট-**

যোৱা মঙলবাৰৰ নিশা দুখন অতিৰিক্ত বোজাই কৰা ট্ৰাক পাৰ হৈ যোৱাৰ সময়তে দলংখন ভাগি পৰিছিল। এই দলংখন ভাগি পৰাৰ ফলত গুৱাহাটীৰ পৰা শিলচৰ, হাইলাকান্দি, শ্ৰীভূমি, ত্ৰিপুৰা আৰু মিজোৰামলৈ পথৰ সংযোগ বিচ্ছিন্ন হৈ পৰে।

উল্লেখযোগ্য যে যোৱা ২১ মে'ত কাটিগড়াৰ গেমন দলংখন মেৰামতিৰ বাবে বন্ধ কৰি দিয়াৰ পাছত বিকল্প হিচাপে ভাংগাৰপাৰ দলংখন যাতায়াতৰ বাবে মুকলি কৰি দিয়া হৈছিল।

০০০০০০

ৰাজ্যৰ ভিন্ন প্ৰান্তত আজি বিস্তৃত কাৰ্যসূচীৰে বিশ্ব ছিকল চেল দিৱস পালন কৰা হয়। এই দিৱসৰ সৈতে সংগতি ৰাখি কামৰূপ জিলাৰ সংহত কাৰ্যালয় সভাগৃহত আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে চন্দ্ৰমোহন পাটোৱাৰীয়ে অংশ লয়। ভাষণত তেওঁ সকলো শ্ৰেণীৰ লোককে এই ৰোগৰ পৰা বাচিবলৈ পৰীক্ষা কৰিবলৈ আহ্বান জনায়। লগতে জিলা স্বাস্থ্য বিভাগক ছিকল চেল ৰোগৰ বিষয়ে সজাগতা বৃদ্ধিৰ বাবে ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়ে। এই অনুষ্ঠানতে জিলা স্বাস্থ্য বিভাগৰ তৰফৰ পৰা এই ৰোগৰ বিষয়ে এখন তথ্যচিত্ৰ প্ৰদৰ্শন কৰা হয়।

শ্ৰীভূমি জিলাৰ সূতাৰকান্দিৰ ভাৰত-বাংলাদেশ সীমান্তৰ লেণ্ডপোৰ্ট চৌহদত জিলা স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। এই শিবিৰত ছিকল চেল ৰোগ প্ৰতিৰোধৰ ক্ষেত্ৰত সজাগতা আৰু আগতীয়াকৈ ৰোগ নিৰ্ণয়ৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰা হয়। মেলেৰিয়া বিৰোধী মাহ উপলক্ষে এই শিবিৰত মেলেৰিয়া পৰীক্ষাৰ ব্যৱস্থাও কৰা হয়। এই কাৰ্যসূচীত অংশ লোৱা বিশেষজ্ঞসকলে মেলেৰিয়া প্ৰতিৰোধৰ বাবে স্বাস্থ্য কৰ্মীসকলৰ কৰণীয়, আঁঠুৱা ব্যৱহাৰৰ গুৰুত্ব আৰু ৰোগৰ প্ৰাৰম্ভিক লক্ষণৰ বিষয়ে অৱগত কৰে।

বিশ্ব ছিকল চেল দিৱসৰ সৈতে সংগতি ৰাখি ওদালগুৰিৰ জিলা চিকিৎসালয়ত সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। কাৰ্যসূচীত এই ৰোগৰ কাৰক, লক্ষণ আৰু প্ৰতিৰোধ সম্পৰ্কত বিশেষজ্ঞসকলে ৰাইজক অৱগত কৰে।

কাৰ্বি আংলং জিলা প্ৰশাসনৰ উদ্যোগত ডিফু আৱৰ্ত্ত ভৱন প্ৰেক্ষাগৃহত এই দিৱস উপলক্ষে সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত কৰা হয়।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই অহা ১ জুলাইত ইয়াৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱস বিস্তৃত কাৰ্যসূচীৰে পালনৰ আয়োজন কৰিছে। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে বিভাগটোৰ উত্তৰণৰ বাবে কাম কৰি যোৱা কেইবাগৰাকীও প্ৰয়াত সহকৰ্মীৰ

আলোকচিত্ৰ বাতৰি বিভাগৰ লবীত স্থাপনৰ ব্যৱস্থা কৰিছে। প্ৰয়াত সহকৰ্মী কেইগৰাকীৰ পৰিয়ালে আগবঢ়োৱা এই আলোকচিত্ৰ কেইখন ১ জুলাইৰ দিনৰ আঢ়ৈ বজাত আনুষ্ঠানিকভাৱে স্থাপন কৰা হ'ব।

প্ৰতিষ্ঠা দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই সেইদিনা দিনৰ ১০ বজাত গুৱাহাটীৰ উজানবজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এটা অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰিছে। সেইদিনাই সন্ধিয়া চাৰে ৬ বজাত আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত এটা বিচিত্ৰানুষ্ঠানৰ আয়োজন কৰিছে। উল্লেখযোগ্য যে আকাশবাণী গুৱাহাটীৰ ৭৭ বছৰ ইতিহাসত এইয়ে প্ৰথমবাৰৰ বাবে গুৱাহাটীৰ বাহিৰত প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাইলৈ কলাগুৰু বিষ্ণুৰাভা দিৱস উপলক্ষে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ৰাজ্য চৰকাৰে কাইলৈ বিষ্ণুৰাভা দিৱসৰ সৈতে সংগতি ৰাখি কেইবাগৰাকীও খ্যাতিমান ব্যক্তিক ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ বঁটা প্ৰদান কৰিব। কাইলৈ নলবাৰীত হ'বলগীয়া বিষ্ণুৰাভা দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত এই বঁটাসমূহ প্ৰদান কৰা হ'ব। এই অনুসৰি ৩টা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটাৰ ভিতৰত বিশিষ্ট সংস্কৃত পণ্ডিত, গৱেষক, শিক্ষাবিদ ড° থানেশ্বৰ শৰ্মালৈ শ্ৰীশ্ৰীমাধৱদেৱ বঁটা, বিশিষ্ট কবি সাহিত্যিক ধনেশ্বৰ ইংতিলৈ কালীচৰণ ব্ৰহ্ম বঁটা আৰু সিন্দূৰ অভিযানত শ্বহিদ হোৱা মণিপুৰৰ বীৰ জোৱান দীপক চিংখামলৈ  বীৰ চিলাৰায় বঁটা আগবঢ়োৱা হ'ব। একেদৰে চলিত বছৰৰ ৪ টা ৰাজ্যিক পৰ্যায়ৰ বঁটাৰ ভিতৰত বিশিষ্ট চিত্ৰশিল্পী নৰেন্দ্ৰ নাথ দাস আৰু বিশিষ্ট সত্ৰীয়া নৃত্য শিল্পী তথা গৱেষক ড° মল্লিকা কন্দলীলৈ বিষ্ণু ৰাভা বঁটা আগবঢ়োৱা হ'ব। সত্ৰীয়া সংস্কৃতিৰ বিশিষ্ট সাধক সোনাৰাম শৰ্মা বুঢ়াভকতলৈ শোণিতকোঁৱৰ গজেন বৰুৱা বঁটা আৰু বিশিষ্ট শিক্ষাসেৱী তথা সমাজসেৱক যজ্ঞেশ্বৰ চেতিয়ালৈ স্বৰ্গদেউ সৰ্বানন্দ সিংহ বঁটা আগবঢ়োৱা হ'ব।

সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত আৰু যোৰহাট জিলা ছাত্ৰ সন্থাৰ সহযোগত **যোৰহাটত** কেন্দ্ৰীয়ভাৱে বিষ্ণুৰাভা দিৱসৰ আয়োজন কৰা হৈছে। তিনিদিনীয়াকৈ আয়োজিত এই অনুষ্ঠানৰ মুখ্য তোৰণ কালি মুকলি কৰা হয়। আজি সদৌ অসম ভিত্তিত বিষ্ণুৰাভা সংগীত আৰু কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। প্ৰতিযোগিতাত চাৰি শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। কাইলৈ সাংস্কৃতিক শোভাযাত্ৰা, মূল সভা আৰু বিষ্ণুৰাভা সংগীত পৰিৱেশন কৰা হ'ব। **শোণিতপুৰ** জিলাতো কাইলৈ বিষ্ণুৰাভা দিৱস পালন কৰা হ'ব। গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানত কাইলৈ এই দিৱস উদযাপনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। সদৌ অসম মইনা পাৰিজাতৰ পশ্চিম **কাৰ্বি আংলং** জিলাৰ তৰা শাখাৰ উদ্যোগত কাইলৈ জিলাখনৰ তৰাডুবি মিনি ষ্টেডিয়ামৰ প্ৰেক্ষাগৃহত বিষ্ণুৰাভা দিৱস উদযাপন কৰা হ'ব। এই অনুসৰি কাইলৈ পুৱা পতাকা উত্তোলন আৰু গছপুলি ৰোপনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হ'ব। দিনৰ ১০ বজাৰ পৰা চিত্ৰাংকন, কবিতা আবৃত্তি আৰু বিষ্ণুৰাভা সংগীতৰ নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিয়লি আয়োজিত মুকলি সভাত প্ৰতিযোগিতাৰ বঁটাসমূহ বিতৰণ কৰা হ'ব।

০০০০০

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰিব। এই অনুষ্ঠানত সদৌ অসম যোগ ক্ৰীড়া এছ'চিয়েচনৰ উপ-সভাপতি, যোগবিদ হৰিপ্ৰসাদ তালুকদাৰ আৰু যোগ প্ৰশিক্ষক হিমাদ্ৰী নাথ কাকতিয়ে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই। অনুষ্ঠান চলি থকা সময়ত আগ্ৰহী ব্যক্তিসকলে ২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰি সমল ব্যক্তি দুগৰাকীৰ সৈতে যোগ সম্পৰ্কীয় বিভিন্ন প্ৰশ্নৰ উত্তৰ বিচাৰিব পাৰিব।

০০০০০০০

পৰহিলৈ দেশৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তত উদযাপন কৰিবলগীয়া একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ বাবে ৰাজ্যৰ বিভিন্ন জিলাত প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। জিলাই জিলাই যোগ দিৱসৰ সৈতে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈছে। হোজাই জিলাত এই দিৱস উদযাপনৰ বাবে সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। জিলা প্ৰশাসনৰ উদ্যোগত আৰু লাচিত যোগ কেন্দ্ৰৰ সহযোগত এই দিৱস পালন কৰা হ'ব। দিৱসৰ প্ৰস্তুতিৰ বুজ লৈ যোগৰ অনুশীলনে বিশ্বত শান্তিৰ পৰিৱেশ ঘূৰাই আনিব বুলি স্থানীয় বিধায়ক ৰামকৃষ্ণ ঘোষে মন্তব্য কৰে।

বাইট

বৰপেটা জিলা প্ৰশাসনৰ উদ্যোগত একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ সৈতে সংগতি ৰাখি আজি জিলা পৰ্যায়ৰ যোগ প্ৰতিযোগিতা অনুষ্ঠিত হয়। জিলা গ্ৰামীণ উন্নয়ন অভিকৰণৰ প্ৰেক্ষাগৃহত আয়োজিত এই প্ৰতিযোগিতা চাৰিটা শাখাত অনুষ্ঠিত হয়। প্ৰতিযোগিতাত ১৭০ গৰাকী প্ৰতিযোগীয়ে অংশ লয়। জিলাখনত পৰহিলৈ যোগ দিৱস উপলক্ষে পুৰা সমূহীয়া যোগাভ্যাস কৰা হ'ব। এই কাৰ্যসূচীত যোগৰ প্ৰসাৰৰ ক্ষেত্ৰত স্বেচ্ছামূলকভাৱে কাম কৰি থকা জিলাখনৰ বিভিন্ন সংগঠনৰ প্ৰতিনিধি আৰু অন্যান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰিব।

০০০০০০০

নলবাৰী জিলাৰ মুকালমুৱাত ব্ৰহ্মপুত্ৰত আজি সংঘটিত নাও দুৰ্ঘটনাত দুজন ছাত্ৰসহ তিনিজন লোক সন্ধানহীন হৈ আছে। মুকালমুৱাৰ পেৰাধৰা ঘাটত আজি এই দুৰ্ঘটনাটো সংঘটিত হয়। নাওখনত কমেও ৩৫ গৰাকী যাত্ৰী আছিল বুলি আমাৰ সংবাদদাতাই জনাইছে। ঘটনাস্থলীত এছ ডি আৰ এফৰ কৰ্মীসকল উপস্থিত হৈ উদ্ধাৰ অভিযান চলাই আছে।

০০০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ পাঁচখন খেলৰ টেষ্ট শৃংখলাৰ প্ৰথমখন খেল কাইলৈ লিড্ছৰ হেডিংলীত আৰম্ভ হ'ব। পূৰ্বে পাটাউদী ট্ৰফী নামে জনাজাত এই টেষ্ট শৃংখলা এইবছৰৰ পৰা এণ্ডাৰচন-তেণ্ডুলকাৰ টেষ্ট শৃংখলা নামেৰে পৰিচিত হ'ব। শুভমন গীলৰ নেতৃত্বৰ নতুন ভাৰতীয় দলটোত এইবাৰ বিৰাট কোহলি, ৰোহিত শৰ্মা, ৰবিচন্দ্ৰন অশ্বিন, ৰবীন্দ্ৰ জাদেজা আদি কেইবাগৰাকীও অভিজ্ঞ খেলুৱৈ নাথাকিব যদিও প্ৰতিভাবান খেলুৱৈৰে গঠিত ভাৰতীয় দলটোৱে ইংলেণ্ডৰ চলিত বতৰত ভাল খেল প্ৰদৰ্শন কৰিব বুলি আশা কৰা হৈছে। ভাৰতীয় টেষ্ট দলত পূৰ্বে বিৰাট কোহলিৰ চতুৰ্থ স্থানত ভাৰতৰ অধিনায়ক শুভমন গীলে বেটিং কৰাটো নিশ্চিত হৈছে। ভাৰতীয় দলৰ বেটিং বহু পৰিমাণে অভিজ্ঞ কে এল ৰাহুল আৰু উপ-অধিনায়ক ঋষভ পন্থৰ ওপৰত নিৰ্ভৰ কৰিব। ভাৰতীয় অ'পেনাৰ য়শস্বী জয়ছোৱালেও ইংলেণ্ডৰ বাৰিষাকালৰ সেমেকা জলবায়ুত ভাল বেটিং প্ৰদৰ্শন কৰিব বুলি আশা কৰা হৈছে। ভাৰতীয় দলৰ ৩ নম্বৰ স্থানত খেলিবলগীয়া বেটাৰজন কোন হ'ব, এতিয়ালৈকে সিদ্ধান্ত লোৱা হোৱা নাই। ভাৰতীয় বলিঙৰ দায়িত্ব প্ৰধানকৈ যশপ্ৰীত বুমৰা, হৰ্ষিত ৰাণা, ছাৰ্দুল ঠাকুৰ আৰু অশদীপ সিঙৰ ওপৰত নিৰ্ভৰ কৰিব। আনহাতে, বেন ষ্টোক্‌ছ নেতৃত্বাধীন ইংলেণ্ড দলটো জেক ক্ৰলি, বিশ্বৰ টেষ্ট ৰেংকিঙৰ ১ নম্বৰ খেলুৱৈ জো ৰুট, বেন ডাকেট, অলি পোপ, ব্ৰাইডন কাৰ্ছ আদি কেইবাগৰাকীও ন-পুৰণি খেলুৱৈৰে পুষ্ট।

০০০০০০০

**সমাপ্ত**